DAILY ASSAM

# ১৮। বাক্য ৰীতি (Syntax)

১৮ ঃ ১ এক বা একাধিক পদ উচ্চাৰণ কৰি কোনো এটা ক্ৰিয়া কৰ্মৰ পূৰ্ণ ভাব প্ৰকাশ কৰিলে বাক্য কোৱা হয়। বাক্যত কেৱল একেটি পদ থাকিব পাৰে। নাইবা একাধিক বিভিন্ন সংখ্যক পদো থাকিব পাৰে। কেৱল একেটি পদ উচ্চাৰণ কৰি ক্ৰিয়াৰ পূৰ্ণ ভাব প্ৰকাশ কৰিব পৰা যায়। যথা— ৰ, পঢ়, যোৱা, পঢ়া ইত্যাদি। এইবোৰ ক্ৰিয়াপদ অনুজ্ঞা অৰ্থত ব্যৱহাৰ হৈছে। এনে বাক্যত ক্ৰিয়া পদটোৰ কৰ্তা উহ্য থাকে। ওপৰৰ প্ৰথম দুটাত 'তই' আৰু শেষৰ দুটাত 'তুমি' উহ্য আছে। সেই বাবেহে একেটি পদেৰে (ক্ৰিয়া পদেৰে) বাক্য গঠিত হৈছে।

১৮ ঃ ২ বাক্যত ব্যৱহাৰ হোৱা প্ৰত্যেকটো পদৰ পাৰস্পৰিক সংগতি থাকে আৰু সেই অনুসাৰে পদবোৰৰ ৰূপ হয়। এটি বাক্য হ'বলৈ হ'লে এটি ক্ৰিয়া পদৰ অত্যন্ত আৱশ্যক। অপৰিহাৰ্য ক্ৰিয়া পদৰ কৰ্তা এটিও থাকে। গতিকে বাক্য এটি হ'বলৈ মুখ্যত ঃ দুটা পদৰ আৱশ্যক— কৰ্তা আৰু ক্ৰিয়া পদ।

ওপৰৰ বাক্যকেইটিৰ 'তুমি', 'তই', উহ্য থকাৰ দৰে কেতিয়াবা ক্ৰিয়া পদো উহ্য থাকে। যথা, ৰীণা এজনী ভাল ছোৱালী। ইয়াত 'ছোৱালী হয়' কথাষাৰিৰ 'হয়' ক্ৰিয়া উহ্য আছে। তেনেকৈ অসীম বৰ দুষ্ট। অঞ্জলিৰ এইবোৰ কাণ্ড। কোন? — মই। ইত্যাদি।

**১৮ ঃ ৩ উদ্দেশ্য আৰু বিধেয় ঃ**

বাক্যত ক্ৰিয়া যিয়ে কৰে তাকেই কৰ্তা কোৱা হয়। কৰ্তাৰ অনুগামী বা সম্প্ৰসাৰক পদবোৰেৰে সৈতে কৰ্তাক সেইবাবে উদ্দেশ্য কোৱা হয়।

কৰ্তাই যি কৰে, যাৰ ওপৰত ক্ৰিয়া কৰে বা বিষয়ে কয় সেই সকলোখিনি কৰ্তাৰ অধীন। সেইবাবে ক্ৰিয়া পদ আৰু তাৰ অনুগামী সকলো পদকে বিধেয় বোলে।

ভাব প্ৰকাশক বাক্যৰ প্ৰধানকৈ দুটা ভাগ (ক) উদ্দেশ্য আৰু (খ) বিধেয়।

তাৰ দুষ্ট পুতেকজনে বাটেৰে গৈ থকা ছাগলী কেইজনীক কোবাইছে।

ইয়াত পুতেকজনে (কৰ্তা) কোবাইছে (ক্ৰিয়া) প্ৰকৃত বাক্য। কৰ্তা বা উদ্দেশ্যক বিশেষ কৰি বুজোৱা 'তাৰ' 'দুষ্ট' উদ্দেশ্য 'পুতেক'ৰ সম্প্ৰসাৰক। গতিকে 'তাৰ দুষ্ট পুতেকজনে' উদ্দেশ্য। 'কোবাইছে' ক্ৰিয়াৰ কৰ্ম 'ছাগলী কেইজনী'ক কৰ্ম আৰু 'বাটেৰে গৈ থকা' কৰ্ম 'ছাগলী' সম্প্ৰসাৰক। গতিকে 'বাটেৰে গৈ থকা ছাগলী কেইজনীক কোবাইছে' বিধেয়। বিশেষণ, সম্বন্ধ পদ, কৃদন্ত সৰ্বনাম আদিৰে কৰ্তাক যিদৰে বহলাব পাৰি বিধেয়কো ক্ৰিয়া বিশেষণ, সম্বন্ধ পদ, সৰ্বনাম, কৃদন্ত বা অন্য নামশব্দেৰে বহলাব পাৰি। অসমীয়াত বিধেয় প্ৰায়ে পিছত বহে, উদ্দেশ্য আগত বহে। যথা—

হৰিৰ পুতেক হেমদাস পৰহি কলিকতালৈ গ'ল।

উদ্দেশ্য— হৰিৰ পুতেক হেমদাস।

উদ্দেশ্য সম্প্ৰসাৰক— হৰিৰ পুতেক

বিধেয়— পৰহি কলিকতালৈ গ'ল
বিধেয়ৰ সম্প্ৰসাৰক— 'পৰহি কলিকতালৈ'।

**১৮ ঃ ৪** বাক্য এটি হ'বলৈ পদবোৰ যেনে তেনে বহাই ল'লেই বাক্য হ'ব নোৱাৰে। বাক্য হ'বলৈ পদবোৰ অৰ্থযুক্ত পদ হ'ব লাগিব। অৰ্থযুক্ত পদ হ'লেই নহ'ব, সেই পদবোৰ সংগতি লগাই যোগ্য পদ যোগ্য স্থানত বহুৱালেহে অৰ্থ বহনকাৰী বাক্য হ'ব পাৰে। গতিকে বাক্য ৰচনা কৰোঁতে দুটা কথাত গুৰুত্ব দিব লাগে। যথা-

(ক) বাক্যত ব্যৱহৃত পদৰ ক্ৰম (Sequence of words)

(খ) পদবোৰৰ পাৰস্পৰিক সংগতি (Agreement of words)

**১৮ ঃ ৫** বাক্যত ব্যৱহাৰ কৰিব লগীয়া পদবোৰৰ পাৰস্পৰিক সংগতি আৰু ক্ৰম ৰক্ষা কৰি প্ৰাসংগিক পূৰ্ণ অৰ্থ প্ৰকাশ কৰিবলৈ পদবোৰৰ তিনিটা কথালৈ মন কৰিব লাগে। যথা—

(ক) যোগ্যতা (Propriety of Compatibility)

(খ) আকাংক্ষা (Expectancy)

(গ) নৈকট্য বা আসক্তি (Proximity)

**(ক) যোগ্যতা ঃ** বাক্যত ব্যৱহাৰ কৰিবলৈ যি কোনো অৰ্থযুক্ত শব্দকে পদ ৰূপে গ্ৰহণ কৰিব নোৱাৰি। অৰ্থযুক্ত শব্দ বাক্যত ব্যৱহাৰ হ'লেও বাক্যৰ অন্যান্য পদৰ লগত অৰ্থৰ সংগতি থকা শব্দহে বাক্যটোত ব্যৱহাৰ হ'ব পাৰে। যি কোনো অৰ্থৰ শব্দ ব্যৱহাৰ কৰিলে পাৰস্পৰিক অৰ্থৰ সংগতি নথকাত বাক্যই কোনো অৰ্থকে দিব নোৱাৰে, তেতিয়া পাগলৰ প্ৰলাপৰ দৰে অৰ্থহীন বাক্যত পৰিণত হ'ব।

চকুৱে চাহ খায়। মূৰে খোজ কাঢ়ে। পানীয়ে পোৰে ইত্যাদি এইবোৰ বাক্য গঠনৰ ফালেদি উদ্দেশ্য, বিধেয় আছে কাৰণে বাক্য হ'ব লাগিছিল। বাক্য গঠন নিয়মমতে হৈছে। কিন্তু পদবোৰৰ অৰ্থ বিসংগতিহে আছে। চাহ 'চকুৱে' নাখায়, খোজ 'মূৰে' নাকাঢ়ে, 'পানীয়ে' পুৰিব নোৱাৰে, এনে অৰ্থ বিসংগতি থাকিলে বাক্যই অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। কেতিয়াবা বিসংগতিপূৰ্ণ শব্দৰ আলংকাৰিক ব্যৱহাৰহে হ'ব পাৰে। যথা—

আনন্দৰ যাতনা বেদনাশীল, চন্দ্ৰৰ উত্তাপ। ইত্যাদি।

গতিকে বাক্যত ব্যৱহাৰ হোৱা প্ৰত্যেক পদৰ পাৰস্পৰিক অৰ্থ সংগতি অৰ্থাৎ উচিত বা যোগ্য অৰ্থ বুজাব পৰা সংগতিয়ে পদবোৰৰ যোগ্যতা সূচায়।

**(খ) আকাংক্ষা ঃ** উপযুক্ত অৰ্থৰ উপযুক্ত পদ বাক্যত ব্যৱহাৰ কৰিলেও কেতিয়াবা বক্তব্য কথাষাৰিৰ অৰ্থ পূৰ্ণ হৈ নপৰে। বক্তব্য কথাষাৰিৰ অৰ্থ সম্পূৰ্ণ কৰিবলৈ অন্যান্য পদ বা পদসমষ্টিৰ আৱশ্যকতা বোধ কৰা হয়। 'মই ভাত খাই'- এই কথাষাৰি অসম্পূৰ্ণ। সম্পূৰ্ণ কৰিবলৈ আকাংক্ষা জাগিবই। মই ভাত খাই কিবা এটা কৰিম, হয় স্কুললৈ যাম, নহয় বল খেলিম বা অন্যান্য কিবা কৰিম। পিছৰ এইখিনি কথা লগাই দিলেহে বাক্যটোৰ ভাব সম্পূৰ্ণ হৈ পৰে। পদবোৰৰ অৰ্থ সংগতি যিদৰে

নিতান্ত আৱশ্যক, অৰ্থ সম্পূৰ্ণ কৰিবলৈ উপযুক্ত শব্দ বা পদসমষ্টিৰো সমাবেশ কৰা আৱশ্যক। ভাব অনুযায়ী পদবোৰ এটিৰ পিছত এটিকৈ মণি বন্ধাৰ দৰে বান্ধ খায়, তেতিয়াহে প্ৰকৃত অৰ্থ প্ৰকাশ পায়। পদৰ অৰ্থ সংগতি ৰাখি বাক্যত অন্যান্য পদৰ আৱশ্যকতা বোধ কৰাই আকাংক্ষা।

**(গ) নৈকট্য ঃ** পদৰ সংগতি ৰাখি আৰু অৰ্থৰ আৱশ্যকতা বুজি পদবোৰ ব্যৱহাৰ কৰিলেও সম্পূৰ্ণ অৰ্থ প্ৰকাশ নকৰিব পাৰে। যি পদৰ ওচৰত যি পদ বহুৱাব লাগে, যি পদৰ ওচৰত বিশেষ বিৰাম নোলোৱাকৈ পদ উচ্চাৰণ কৰিব লাগে, সেই পদ যদি সংগতিপূৰ্ণ পদৰ ওচৰত বহুওৱা বা উচ্চাৰণ কৰা নহয় নাইবা বিশেষ বিৰাম লৈ উচ্চাৰণ কৰা হয় তেতিয়া পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। যথা—

অঞ্জলিয়ে বৰ মনোযোগেৰে ব্যাকৰণ পঢ়িছে।

এইটো এটা বাক্য। কাৰণ ইয়াত ব্যৱহাৰ হোৱা প্ৰত্যেকটি পদেই পাৰস্পৰিক সংগতিপূৰ্ণ আৰু আৱশ্যকতা অনুযায়ী পদবোৰ ব্যৱহাৰ কৰা হৈছে। কিন্তু যদি এই বাক্যৰ পদবোৰে পাৰস্পৰিক সংগতি নাৰাখি যাৰ ওচৰত যি পদ বহুৱাব লাগে তেনেকৈ নবহুৱাই বিশৃংখলভাৱে পদবোৰ ব্যৱহাৰ কৰা হয়, তেতিয়া বাক্যটোৰ অৰ্থ প্ৰকাশ নহ'ব। যথা— "পঢ়িছে বৰ ব্যাকৰণ মনোযোগেৰে অঞ্জলিয়ে।" প্ৰকৃততে বাক্য বুলিব নোৱাৰি।

গতিকে বাক্যত পদবোৰৰ ক্ৰম আছে। উদ্দেশ্য আৰু উদ্দেশ্যৰ সম্প্ৰসাৰক পদবোৰ বাক্যৰ আদিতে, ক্ৰিয়া পদ সদৌ শেষত ব্যৱহাৰ কৰা হয়। ক্ৰিয়া পদৰ সম্প্ৰসাৰক পদবোৰ উদ্দেশ্যৰ পিছত ক্ৰিয়া পদৰ আগত ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰি যি পদৰ লগত পদ এটাৰ সম্বন্ধ সেই পদটি যোগ্য পদটোৰ কাৰ্যতহে ব্যৱহাৰ কৰিব লাগে। উচ্চাৰণ কৰোঁতেও যদি দুটা পদ বিৰামহীনভাৱে উচ্চাৰণ কৰিলেহে অৰ্থ ওলায় তেনেকৈ উচ্চাৰণ কৰিব লাগে। তাকে নকৰি বিৰাম দি উচ্চাৰণ কৰিলে অৰ্থ বিসংগতি ঘটিব পাৰে।

ন পতা ফুকন আৰু নপতা ফুকন। এই দুয়ো ক্ষেত্ৰত বিৰামে অৰ্থৰ পৰিৱৰ্তন ঘটায়।

গতিকে পৰস্পৰ সম্বন্ধযুক্ত বা অৰ্থযুক্ত সংগতিপূৰ্ণ পদ এটিৰ পিছত এটিকৈ বাক্যৰ নিয়মমতে ব্যৱহাৰ কৰি পদবোৰৰ নৈকট্য বা আসত্তি (অৰ্থাৎ ওচৰ) ৰক্ষা কৰিলেহে অৰ্থ প্ৰকাশক বাক্য গঠিত হয়।

ওপৰত উল্লেখ কৰা পদৰ যোগ্যতা, আকাংক্ষা আৰু নৈকট্য মতে পদবোৰ ব্যৱহাৰ কৰিলেহে ভাৱ প্ৰকাশক বাক্য ৰচিত হয়। অন্যথাই পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব নোৱৰাত বাক্য হ'ব নোৱাৰে।

**১৮ ঃ ৬ বাক্যত পদৰ ক্ৰম** (Sequence of words in a sentence) ঃ পৰস্পৰ সংগতিপূৰ্ণ পদসমূহ নিৰ্দিষ্ট ক্ৰম অনুযায়ীহে বাক্যত ব্যৱহাৰ হয়।

(১) উদ্দেশ্য বিধেয়ৰ আগত বহে। যথা—

ৰীণাই হাঁহে। মীনাই নাচিছে। অঞ্জলিয়ে সদায় স্কুললৈ যায়।

(২) কেতিয়াবা বাক্যৰ উদ্দেশ্য নাইবা বিধেয় ক্ৰিয়া পদ উহ্য থাকে। যথা- পঢ়া। অৰ্থাৎ তুমি পঢ়া। 'তুমি' উহ্য আছে।

ব্যাকৰণ পঢ়িছানে? ব্যাকৰণ পঢ়া নাই, সাহিত্যহে পঢ়িছোঁ। প্ৰথম বাক্যত 'তুমি' কৰ্তা পদ উহ্য আছে। দ্বিতীয় বাক্যত 'মই' উহ্য আছে।

অসীমজ্যোতি ভাল ল'ৰা। কোন? আমি। এইবোৰ বাক্যত ক্ৰিয়া পদ উহ্য আছে।

(৩) কৰ্তাৰ সম্প্ৰসাৰক হ'লে সম্প্ৰসাৰক পদবোৰ উদ্দেশ্যৰ আগত বহে। যথা-

'চাকৰি বিচাৰি হাবাথুৰি খোৱা ডেকাজন আজি আমাৰ ঘৰত উপস্থিত হৈছে।' সাধু আৰু নম্ৰ মানুহে জীৱনত শক্তি পায়। ৰামৰ পুতেক হৰিয়ে খেলি আছে। মোৰ কলমটো ভাল।

বিশেষণৰ দৰে সম্বন্ধ পদ নামপদৰ আগত বহে। কেতিয়াবা পিছতো বহা দেখা যায়। যথা—

কলমটো মোৰ। কলমটো কাৰ? দোষ কাৰ? দোষ তাৰেই। বাছা মোৰ! বোপাই মোৰ! ইত্যাদি।

(৪) বিধেয়ৰ ক্ৰিয়া পদ বাক্যৰ শেষত বহে, ক্ৰিয়া পদৰ আগত ক্ৰিয়াৰ পূৰক পদবোৰ ব্যৱহাৰ হয়। সেই পদবোৰৰ সম্প্ৰসাৰকো সংগতি থকা পদৰ আগত বহে। যথা—

মাধৱীয়ে হৰিৰপৰা অনা কিতাপখন বৰ আগ্ৰহেৰে পঢ়ি আছে। 'মাধৱীয়ে' উদ্দেশ্য। বাকী অংশ বিধেয়। 'পঢ়ি আছে' ক্ৰিয়া পদ বাক্যৰ শেষত বহিছে।

বিধেয়ৰ পূৰক 'কিতাপখন' আৰু 'আগ্ৰহেৰে'। ইহঁতৰ সম্প্ৰসাৰক হৈছে— যথাক্ৰমে, 'হৰিৰপৰা অনা' আৰু 'বৰ'। 'হৰিৰপৰা অনা' কিতাপখনৰ বিশেষণ ৰূপে ব্যৱহাৰ হৈছে, আগ্ৰহেৰে পদক 'বৰ' পদে বিশেষ কৰিছে। ইহঁতে সম্প্ৰসাৰক।

(৫) পূৰ্ণ বাক্য এটা হওঁতে সাধাৰণতে কৰ্তা বা উদ্দেশ্য বাক্যৰ আদিতে, কৰ্ম মধ্যত আৰু ক্ৰিয়া সৰ্বশেষত থাকে। যথা—

ৰামে ব্যাকৰণ পঢ়ে।

(৬) সম্বোধন পদ থাকিলে সাধাৰণতে আদিতে ব্যৱহাৰ কৰা হয়। কিন্তু কেতিয়াবা অন্য ঠাইতো ব্যৱহাৰ হ'ব পাৰে। যথা—

হে মধু! তুমি এইবাৰ ভালকৈ পাছ কৰিবা। মোক ৰক্ষা কৰা হৰি। সিহঁতৰ অত্যাচাৰ প্ৰভু, কিদৰে সহিম ইত্যাদি।

**১৮ ঃ ৭ কৰ্তা আৰু ক্ৰিয়াৰ সংগতি ঃ**

(১) কৰ্তৃ বাচ্যৰ বাক্যত কৰ্তা বাক্যৰ আদিতে, ভাব বাচ্য আৰু কৰ্ম বাচ্যৰ বাক্যত বাক্যৰ প্ৰথম অংশত কৰ্তা বহে। যথা—

ৰামে ভাত খালে। ৰামৰদ্বাৰা ভাত খোৱা হ'ল। ৰীণা গ'ল। ৰীণাৰ খোৱা হ'ল।

(২) বাক্যত কৰ্ম নাথাকিলে বা ক্ৰিয়া অকৰ্মক হ'লে কৰ্তা প্ৰথমে, তাৰ পিছত ক্ৰিয়া বহে। যথা—

DAILY ASSAM


ৰামে খালে। মধু গ'ল। ইত্যাদি।

(৩) সকলো বাক্যত কৰ্তাৰ যি পুৰুষ আৰু বচন-ক্ৰিয়াৰো সেই পুৰুষ আৰু বচন হয়। যথা—

মই খাইছোঁ। তই খাইছ। তোমালোকে খাইছাঁ। তাই খাইছে। সিহঁতে খাইছে।

(৪) একেটি সমাপিকা ক্ৰিয়াৰ তিনিও পুৰুষৰ কৰ্তা থাকিলে প্ৰথম পুৰুষৰ কৰ্তানুযায়ী ক্ৰিয়া বহে। যথা—

ৰীণা, মীনা, তুমি আৰু মই বজাৰলৈ যাম।

(৫) একেটি সমাপিকা ক্ৰিয়াৰ তৃতীয় আৰু দ্বিতীয় পুৰুষৰ কৰ্তা থাকিলে ক্ৰিয়াটো দ্বিতীয় পুৰুষৰ হয়। যথা—

মধু আৰু তুমি ঘৰলৈ যোৱা। সি আৰু তই কলেজলৈ যাবি। ইত্যাদি।

(৬) 'হ' ধাতুৰ নিত্য বৰ্তমান কালত হোৱা ৰূপ সাধাৰণতে অসমীয়াত উহ্য থাকে। যথা—

সি দুষ্ট (হয় উহ্য আছে)। মই ব্ৰাহ্মণ (হওঁ উহ্য)। তুমি দেৱতা (হোৱা উহ্য)।

কিন্তু নঞৰ্থ বুজালে নঞৰ্থক হ ধাতু নিত্য বৰ্তমানতো উল্লেখ থাকে। যথা-

মই ব্ৰাহ্মণ নহওঁ। সি দুষ্ট নহয়। তুমি দেৱতা নোহোৱা ইত্যাদি।

(৭) 'নিজ' শব্দ ব্যৱহাৰ কৰিলে ব্যক্তিবোধক সৰ্বনাম কৰ্তা কাৰকত বিকল্পে উক্ত নহয়। যথা—

নিজে যাব অৰ্থাৎ সি বা তাই নিজে যাব। নিজে পঢ় অৰ্থাৎ তই নিজে পঢ় বা তহঁতে নিজে পঢ়া। নিজে পঢ়া অৰ্থাৎ তুমি নিজে পঢ়া বা তোমালোকে নিজে পঢ়া। নিজে পঢ়োঁ অৰ্থাৎ মই বা আমি নিজে পঢ়োঁ।

(৮) একেটা বাক্যত সকৰ্মক আৰু অকৰ্মক দুয়োবিধ ক্ৰিয়া থাকিলে প্ৰথমতে থকা সমাপিকা ক্ৰিয়া অনুযায়ী কৰ্তাটো হয়। যথা—

গোপালে খালে আৰু গ'ল। কিন্তু গোপাল যায় আৰু খেলে, আন কাম নকৰে।

(৯) সকৰ্মক বা অকৰ্মক সমাপিকা ক্ৰিয়া এক বা একাধিক থাকিলেও কৰ্তাটো সমাপিকা ক্ৰিয়া অনুযায়ী হয়। কিন্তু কেতিয়াবাহে সকৰ্মক সমাপিকা ক্ৰিয়াৰ আগত বহিলে কাৰকৰ এ বিভক্তি থাকি যায়। যথা—

শুই উঠি ৰাম বজাৰলৈ গ'ল। কিন্তু ৰামে ভাত খাই কিতাপ লৈ স্কুললৈ গ'ল। ইত্যাদি।

(১০) হাঁহ, কান্দ্, কাহ্, নাচ্, মুত্, গাঁজ্, ওমল্, হাঁহিয়া আদি কেতবোৰ অকৰ্মক ক্ৰিয়াৰ আৰু নামধাতুৰ ক্ৰিয়াৰ কৰ্তাত এ বিভক্তি উহ্য থাকে। যথা—

ৰামে হাঁহে বা কান্দে বা নাচে। ইত্যাদি।

(১১) অসমাপিকা সংযোজক কৃদন্ত পদ সদায় সমাপিকা ক্ৰিয়াৰ আগত বহে, কৰ্তাটো অনুযায়ী সমাপিকা ক্ৰিয়াৰ ৰূপ হয়। যথা—

সি ঘৰলৈ যাওঁতে মোক মাত দিলে। ঘৰলৈ যাওঁতে মই তাক আগচি ধৰিলোঁ। সি ঘৰলৈ যাওঁতে তুমি খেলি আছিলা। ইত্যাদি।

## ১৮ ঃ ৮ ক্ৰিয়া আৰু বিভক্তি কাৰকৰ সংগতি ঃ

১। সকৰ্মক ক্ৰিয়াৰ এক বা একাধিক কৰ্ম পদ থাকে, কেতিয়াবা কৰ্ম উহ্য হৈ থাকিব পাৰে।

২। ভাব বাচ্যৰ কৃদন্ত পদো সকৰ্মক ক্ৰিয়াৰ কৰ্ম হৈ পৰে। যথা— তাৰ নাচন গুচালে। সিহঁতৰ ভোজন কমালে। ইত্যাদি।

৩। কেতিয়াবা একোটা বাক্যও কোনো সকৰ্মক ক্ৰিয়াৰ কৰ্মৰ দৰে বহে। যথা-

সি বোলে আজি ঘৰলৈ নাযায়। মই কৈছোঁ যে সিহঁতে ৰাতি কিতাপ পঢ়ে। ইত্যাদি।

৪। দুই বা অধিক বুজোৱা সংখ্যাবাচক শব্দ নামশব্দৰ পিছত ব্যৱহাৰ হ'লে নাম শব্দবোৰৰ সলনি সংখ্যাবাচক শব্দতহে বিভক্তি যোগ হয়। সাধাৰণতে সংখ্যাবাচক শব্দৰ পিছত 'ও' এটি আগম হোৱাৰ পিছতহে বিভক্তি যুক্ত হয়। যথা—

ৰাম আৰু যদু দুয়োলৈ কিতাপ আনিছোঁ। ৰাণী, বাণী আৰু মীনা তিনিও স্কুললৈ গ'ল। ইত্যাদি।

৫। কিন্তু সৰ্বনাম শব্দৰ পিছত সংখ্যাবাচক শব্দ থাকিলে সংখ্যাবাচক শব্দৰ পিছত বিভক্তি যোগ হোৱাৰ উপৰিও সৰ্বনাম পদতো বিভক্তি যোগ হয়। যথা—

তাক আৰু তোমাক দুয়োকে মাতিছোঁ। তোক, তাক আৰু তাইক তিনিওকে নিমন্ত্ৰণ কৰিলোঁ। ইত্যাদি।

৬। দুই বা অধিক নামশব্দৰ পিছত বিশেষণ সৰ্বনাম ব্যৱহাৰ হ'লে, নামশব্দবোৰৰ ঠাইত শেষত বিশেষণ সৰ্বনামতহে বিভক্তি যোগ হয়। যথা— ল'ৰা, বুঢ়া, মতা, মাইকী সকলোৱে আমাক গৰিহণা দিছে। গছ, লতা, বন এইবিলাকক উদ্ভিদ বোলে। ইত্যাদি।

৭। যুক্ত অৰ্থত বা লক্ষণ অৰ্থত নামশব্দৰ পিছত তৃতীয়া বিভক্তি যোগ হয়। যথা—

জোপোহা চুলিৰে (বা চুলিৰে যুক্ত) ডেকাজন। জঁটাৰে (বা জঁটাৰে যুক্ত) সন্ন্যাসীজন।

৮। একাধিক নামশব্দ ব্যৱহাৰ কৰিলে অব্যয় শব্দটো সদায় শেষৰ নাম শব্দৰ আগত বহে। যথা—

বগা, ৰঙা আৰু পখৰা গৰু পথাৰত চৰি আছে। ৰীণা, মীনা, বীণা আৰু মাধৱীয়ে ব্যাকৰণ শিকিবলৈ সহজ পায়। ইত্যাদি।

৯। ক্ৰিয়া দ্বিকৰ্মক হ'লে প্ৰথমে গৌণ কৰ্ম আৰু তাৰ পিছত মুখ্য কৰ্ম ব্যৱহাৰ কৰা হয়। যথা—

তোমাক এটা টকা দিছে। ৰতনে ৰামহঁতক এটি সাধু কৈ আছে। ইত্যাদি।

১০। সম্বন্ধ পদ, সদায় যাৰ লগত সম্বন্ধ থাকে তাৰ আগত ব্যৱহাৰ হয়। যথা—

মোৰ কথা কিয় নুশুনিবা? সিহঁতৰ কথা-বাৰ্তা ভাল নহয়। কিন্তু জোৰ বুজাবলৈ বা প্ৰশ্ন কৰিবলৈ সম্বন্ধ পদ পিছত বহে। যথা—

কিতাপখন কাৰ? কিতাপখন মোৰ। গল্পটো মোৰেই।

১১। কৰণ, অপাদান কাৰক কৰ্ম কাৰকৰ আগত বহে। যথা—

সি হাতেৰে ল'ৰাটোক মাৰিছে। তাই পেঞ্চিলেৰে ছবি আঁকিছে। তাই গছৰ পৰা আম পাৰিছে। কিন্তু কেতিয়াবা পিছতো ব্যৱহাৰ হয়। যথা— পুলিচে চোৰটোক তাৰ পৰা খেদি গৈছে। ইত্যাদি।

১২। অধিকৰণ কাৰক কৰ্তাৰ আগত বা পিছত ব্যৱহাৰ কৰা হয়। যথা—

ফুল ফুলনিত ফুলে নাইবা ফুলনিত ফুল ফুলে। গছত আম লাগে নাইবা আম গছত লাগে, ইত্যাদি।

১৩। কৃদন্ত ভাব বাচ্যৰ পদ কোনো সকৰ্মক ক্ৰিয়াৰ কৰ্ম হ'লে ষষ্ঠী বিভক্তিৰ ঠাইত কৰ্মৰ দ্বিতীয়া বিভক্তি যোগ হয়। যথা—

তাই মোক বাটেৰে আহি থকা দেখিছে। মই তাইক যদুৰ লগত মেল পাতি থকা দেখিছোঁ।

## ১৮ ঃ ৯ কাল আৰু ক্ৰিয়াৰ সংগতি ঃ

১। কোনো ক্ৰিয়া অৰ্থাৎ কাৰ্য হোৱাত সন্দেহ থাকিলে ভৱিষ্যৎ কালতো নিত্য বৰ্তমান কাল ব্যৱহাৰ হয়। যথা—

ৰাতিটো যদি ভালে থাকোঁ, কাইলৈ যাম। গোটেই বছৰটো যদি ঈশ্বৰে ভালে ৰাখে, তেন্তে অহা বছৰ দিল্লীলৈ যাম।

২। ক্ৰিয়া হোৱাত সন্দেহ থাকিলে তাৰ আগত বা পিছত যদি অব্যয় যোগ কৰা হয় আৰু পিছৰ কথাখিনিত তেন্তে, তেনেহ'লে ব্যৱহাৰ হয়। যথা—

সি যদি আহে তেন্তে (বা তেনেহ'লে) আমি স্কুললৈ যাম। যদি বীণা ইয়ালৈ আহে, তেন্তে (বা তেনেহ'লে) আমি আটায়ে নাচিম।

৩। ক্ৰিয়া হোৱাত সন্দেহ বা সম্ভাৱনা বুজালে কেতিয়াবা হ'লে কৃৎ প্ৰত্যয় যোগ কৰি কৃদন্ত সংযোজক ব্যৱহাৰ কৰা হয়। যথা—

বীণা আহিলে মীনা যাব। অৰ্থাৎ বীণা যদি আহে তেন্তে মীনা যাব (বীণা অহাৰ সম্ভাৱনা থাকে, সন্দেহো থাকিব পাৰে)।

৪। নঞৰ্থ বুজালে ভৱিষ্যৎ কালৰ ঠাইত নিত্য বৰ্তমান কাল ব্যৱহাৰ হয়। যথা—

মই আৰু ভৱিষ্যতে তালৈ নাযাওঁ। সি আৰু ভৱিষ্যতে এনে কাম নকৰে।

কিন্তু অনুজ্ঞা বুজালে দ্বিতীয় পুৰুষত ভৱিষ্যৎ কালেই ব্যৱহাৰ হয়। যথা-

তই আৰু ভৱিষ্যতে এনে কাম নকৰিবি। তুমি কেতিয়াও এনে গৰ্হিত কাম নকৰিবা। ইত্যাদি।

৫। নিয়ম বা অভ্যাস বুজালে অতীত কালতো নিত্য বৰ্তমানৰ ৰূপ কৰা হয় যথা—

অইনবাৰ এনে বাৰিষা কালত তাই একোখন উপন্যাস লিখে। আগেয়ে এনে সময়ত সি পূজাত বহে। ইত্যাদি।

৬। ঐতিহাসিক কথা হ'লে অতীত কালৰ সলনি নিত্য বৰ্তমান কাল ব্যৱহাৰ কৰা হয়। যথা—

মোগল ৰাজত্বৰ সময়তে ফৰাচী আৰু ইংৰাজসকল ভাৰতলৈ আহে। লাচিত বৰফুকনে শৰাইঘাটৰ যুদ্ধত মোগলক পৰাজয় কৰে।

৭। 'ইল' প্ৰত্যয়যুক্ত কৃদন্ত পদ সপ্তম্যান্ত হ'লে সমাপিকা ক্ৰিয়া স্বৰূপ বৰ্তমান, স্বৰূপ ভূত নাইবা পৰোক্ষ ভূত কালৰ হ'ব। যথা—

সি স্কুললৈ গ'লত আমি এই কামটো কৰিছোঁ বা কৰিলোঁ বা কৰিছিলোঁ। সিহঁত গ'লত তই এই কথা কৈছিলি। ইত্যাদি।

৮। অনেক কালৰ আগেয়ে কৰা ক্ৰিয়াৰ ফল এতিয়ালৈকে থকা অৰ্থত ক্ৰিয়াৰ স্বৰূপ বৰ্তমান কাল হয়। যথা—

মহাভাৰতখন ব্যাসে লিখিছে। ব্যাসে ভাগৱত ৰচনা কৰিছে। ইত্যাদি।

৯। কেতিয়াবা ক্ৰিয়া হোৱাৰ সময় বা ঠাই নিশ্চয়কৈ নক'লে ভূত কালতো স্বৰূপ বৰ্তমান ব্যৱহাৰ হয়। যথা—

ইন্দিৰাক মই আগেয়ে দেখিছোঁ।

১০। নিত্য বৰ্তমান, স্বৰূপ বৰ্তমান, স্বৰূপ ভূত আৰু ভৱিষ্যত কালত কিছুমান বিশেষ স্বাৰ্থিক প্ৰত্যয় ব্যৱহাৰ হয়। যথা—

নিত্য বৰ্তমান— মই যাওঁচোন। তুমি কৰাঁচোন। তই লিখচোন।

স্বৰূপ বৰ্তমান— মই লিখিছোঁ দেখোন। তুমি হাঁহিছাঁ দেখোন।

স্বৰূপ ভূত— মই লিখিলোঁ দেখোন। সি গ'ল দোখোন।

ভৱিষ্যত কাল— মই যাম দে। তুমি যাবাঁচোন। সিহঁতে খাব দেখোন।

## ১৮ ঃ ১০ বিশেষ্য আৰু বিশেষণ পদৰ সংগতি ঃ

১। বিশেষণ পদ সদায় বিশেষ্য পদৰ আগত বহে। যথা—

ৰঙা কাপোৰ, বগা চৰাই, ধুনীয়া ছোৱালী ইত্যাদি।

২। কিন্তু কোনো বস্তুৰ গুণটো বিশেষ কৰি বুজালে বিশেষণ পদ বিশেষ্য পদৰ পিছত বহে। যথা—

পানী শীতল, বগলী বগা, কাউৰী ক'লা ইত্যাদি।

৩। কেতিয়াবা বিশেষ্য পদৰ আগত কৃদন্ত বিশেষণৰ সৈতে কেইবাটাও পদ বিশেষ ৰূপে ব্যৱহাৰ কৰা হয়। যথা—

বাটত হেৰাই পোৱা টকাটো খৰচ কৰিবাঁ। হাতে কটা সূতাৰে ঘৰত বোৱা ধুতীখন আনা।

৪। এটা বাক্যত ভিন ভিন বিশেষ্য পদৰ ভিন ভিন বিশেষণ পদ থাকিলে সেই বিশেষ্য পদবোৰৰ প্ৰত্যেকৰ আগত 'এটা', 'এজন', 'এগৰাকী' আদি নিৰ্দেশাত্মক বা অনিৰ্দেশাত্মক প্ৰত্যয় ব্যৱহাৰ হয়। যথা—

DAILY ASSAM


আমাৰ স্কুললৈ কালি এজন শিক্ষিত আৰু এগৰাকী ধনী লোক আহিছিল। (অৰ্থাৎ এজন শিক্ষিত আৰু এজন ধনী, দুজন লোক)।

কিন্তু যদি প্ৰথম বিশেষণৰ আগত এজন, এটা, এগৰাকী আদি ব্যৱহাৰ হোৱাৰ পিছত পিছৰ বিশেষণৰ আগত তেনে নিৰ্দেশাত্মক শব্দ প্ৰয়োগ নহয়, তেন্তে একেজনকেই বুজা যাব। যথা—

কালি ইয়ালৈ এজন শিক্ষিত আৰু বৰ ধনী লোক আহিছিল। ইয়াত এজন লোককেই বুজাইছে, বৰ ধনীজনেই শিক্ষিত ব্যক্তি।

৫। যি বিশেষণ পদক বিশেষকৈ বুজোৱা হয়, তাৰ আগত বিশেষণীয় বিশেষণ পদটো বহে আৰু যি ক্ৰিয়াক বিশেষকৈ বুজায় সেই ক্ৰিয়াৰ ঠিক আগতে ক্ৰিয়া বিশেষণ বহে। যথা—

যদু বৰ ধনী লোক। তুমি বৰকৈ নিচিএৰিবাঁ।

**১৮ ঃ ১১ সৰ্বনামৰ সংগতি ঃ**

১। সৰ্বনাম পদটো যাৰ সলনি বহে সেই নাম পদৰ বচন, লিংগই সৰ্বনামটোৰ বচন আৰু লিংগ।

অসমীয়া নাৰীয়ে বোৱা-কটা জানে, সেইবাবে তেওঁলোক ভাৰতৰ ভিতৰত শ্ৰেষ্ঠ শিপিনী।

ষ্টেচনত কেইবাজনীও ইংৰাজ মহিলা আছে, সিহঁতৰ গাত প্ৰায় কাপোৰেই নাই।

২। ভালেমান, ভালেখিনি, অলপমান আদিৰ আগত থকা নামশব্দ উহ্য থাকে। যথা—

অলপমানহে দিলা, মোক ভালেখিনি লাগিছিল। ভালেমান দিয়া। ইত্যাদি।

৩। 'যি' সৰ্বনামৰ ভাবখিনি পূৰ্ণ কৰিবলৈ 'সি' সৰ্বনাম ব্যৱহাৰ হয়, কাৰক অনুযায়ী সিহঁতৰ ৰূপ হয়। যথা—

যি পঢ়ে (বা যি লোকে পঢ়ে) সি শিকে। মাকে যাক ভাল পায়, তাক বেছিকৈ খাবলৈ দিয়ে। ইত্যাদি।

৪। কোনো সংজ্ঞা শব্দৰ সলনি 'যি' সৰ্বনাম ব্যৱহাৰ হ'লে সংজ্ঞা শব্দৰ পৰৱৰ্তী অংশতহে 'যি' সৰ্বনাম ব্যৱহাৰ হয়। যথা—

পৃথিৱীত কোন বীৰ আছে, যি দেশৰ হকে নিজৰ মোমায়েককো কাটিব পাৰে?

৫। বাক্যৰ প্ৰথম ভাগত 'যেতিয়া' থাকিলে পৰৱৰ্তী ভাগত 'তেতিয়া', তেনেকৈ 'যিমান' থাকিলে 'সিমান' বা 'তিমান', 'য'ত থাকিলে 'ত'ত, 'যাৰ', 'যাক' থাকিলে যথাক্ৰমে 'তাৰ', 'তাক' ব্যৱহাৰ হয়। যথা—

যেতিয়াই মই পঢ়োঁ তেতিয়া আন কথালৈ কাণ নিদিওঁ। যাৰ যিমান পাপ, তাৰ সিমান (বা তিমান) শাস্তি। য'ত যি বস্তু ৰাখিছোঁ, ত'ত সেই বস্তু ৰাখিবাঁ। আমটো য'ত থৈছিলোঁ ত'ত নাই।

**১৮ ঃ ১২ বচন সংগতি ঃ**

১। বিশেষণ পদ দুবাৰকৈ উচ্চাৰণ কৰিলে বিশেষ্য পদ বহুবচনৰ হয়। কেতিয়াবা বহুবচনৰ চিন যোগ নোহোৱাকৈ থাকে। যথা—

সৰু সৰু ল'ৰা (বা ল'ৰাবোৰ), ভাল ভাল আম (বা আমবোৰ)। সভাখনত বুঢ়া বুঢ়া মানুহবিলাকেই হাই-উৰুমি কৰে।

২। বিশেষণ পদ দুবাৰকৈ উক্ত হ'লে বিশেষ্য পদটোত বহুবচনৰ চিন ব্যৱহাৰ নহ'লেও বহুবচনৰ ভাব বুজায়। যথা—

বৰ বৰ মানুহৰ বৰ বৰ ভাগ, সৰু সৰু মানুহে তেওঁলোকৰ সমান কেনেকৈ পায়?

আকৌ বিবাদ, বিস্ময়, ক্রোধ, হর্ষ, দৈন্য আদিত দ্বিৰুক্তি দোষৰ নহয়। যথা-

হায় হায়! বাহ্ বাহ্! চুপ্ চুপ্! কি সৰু সৰু আখৰ!

৩। একাধিক সংখ্যাবাচক শব্দ নামশব্দৰ আগত থাকিলে বহুবচনৰ চিন যোগ নহয়। যথা—

দহোটা আম, পাঁচোটা টকা।

৪। নম্রতা বুজাবলৈ প্রথম পুৰুষৰ সর্বনাম বহুবচনৰ হয়। যথা—

এই বিষয়ে আমি বিশেষ নকওঁ। এই স্কুলখন আমিয়েই পাতি দিছোঁ।

**১৮ ঃ ১৩ বিভিন্ন পদ আৰু নানাবিধ শব্দৰ সংগতি ঃ**

১। 'ইব' প্রত্যয়ান্ত কৃদন্ত পদৰ পিছত সাধাৰণতে লৈ ব্যৱহাৰ হয়। যথা—

আচল কথা ক'বলৈ হ'লে, সি পঢ়িবলৈ এৰিছে।

কিন্তু, দি, খোজ্, জান্, লাগ্, পা, পৰ্ ধাতুৰ ক্রিয়া পিছত থাকিলে লৈ ব্যৱহাৰ নহয়। যথা—

ল'ৰাজনক পঢ়িব দিয়া। সি শুব খোজে। তাই ছবি আঁকিব জানে। ৰাতিপুৱা সোনকালে উঠি পঢ়িব লাগে। অমাৱস্যাত আহাৰ কৰিব নাপায়। মই এসেৰ মিঠাই খাব পাৰোঁ। ইত্যাদি।

২। দুই গৰাকীৰ পদার্থৰ ৰিজনি কৰিলে প্রথমজনৰ পিছত 'অতকৈ' ব্যৱহাৰ কৰি পিছৰজনৰ পিছত 'হে' বহুৱাই বস্তুৰ নামোল্লেখ কৰিব লাগে। যথা—

ৰীণাতকৈ মাধৱীৰ ঘৰ দূৰৈত। (অর্থাৎ ৰীণাৰ ঘৰৰ অৱস্থানতকৈ)। মোতকৈ তোমাৰ আখৰ ভাল ইত্যাদি।

কিন্তু আগতে ৰিজনিৰ বস্তু উল্লেখ থাকিলে ৰিজনি কৰোঁতে কেতিয়াবা উল্লেখ কৰা নহয়। কেতিয়াবা টো, খন, ডাল আদি নির্দেশাত্মক প্রত্যয় যোগ হয়। যথা-

বীণাৰ আৰু ৰীণাৰ দুডাল কলম আছে। ৰীণাৰ ডালতকৈ বীণাৰডাল বেয়া। কিন্তু ৰীণাতকৈ বীণাৰডাল ধুনীয়া। ইত্যাদি।

৩। যদি— তেনেহ'লে, যদিও— তথাপি, যেতিয়া— তেতিয়া ; যি—সি, যেনে-তেনে আদি কিছুমান পদ এটাৰ ব্যৱহাৰ হ'লে আনটোৰো ব্যৱহাৰ হয়। যথা—

DAILY ASSAM



যদি আমি মনপুতি ব্যাকৰণ পঢ়োঁ, তেনেহ'লে সহজে ভাষাৰ বিষয়ে জানিম। যদিও তাৰ কথাবোৰ কঠুৱা, তথাপি তাৰ অন্তৰখন মৰমিয়াল। যেতিয়া সিহঁত স্কুললৈ যায়, তেতিয়া সিহঁত বাটে বাটে খেলি যায়। যেনে কাম তেনে ফল। ইত্যাদি।

৪। কিছুমান বিশিষ্ট প্ৰত্যয় বা শব্দ বাক্যৰ বিভিন্ন স্থানত বহুৱাই অৰ্থৰ বিভিন্নতা সূচোৱা হয়। যথা–

**(ক) মাত্ৰ ঃ** ১। কৰ্তা, কৰ্ম, কৰণ আদি বিভিন্ন কাৰক আৰু ক্ৰিয়াৰ পিছত ব্যৱহাৰ হয়। ইয়াৰ ব্যৱহাৰৰ স্থান অনুযায়ী কেৱল অৰ্থ প্ৰকাশ কৰে। যথা–

তুমি মাত্ৰ আহিছাঁ। অৰ্থাৎ বহু কেইজনৰ ভিতৰত অকল তুমি আহিছাঁ– এই অৰ্থত।

তুমি ভাত মাত্ৰ খাইছাঁ। অৰ্থাৎ বহুত ভাতৰ লগত থকা আন বস্তু নাখাই কেৱল ভাত খাইছাঁ।

তুমি নাচিছাঁ মাত্ৰ ; অৰ্থাৎ নচা কাৰ্য কৰোঁতে বা অকল নচা কাৰ্যহে কৰিছা-- এনে ভাবত। সি হাতেৰে মাত্ৰ মাৰিছে। গাঁৱৰ ভিতৰত তাৰ ঘৰত মাত্ৰ ভাগৱত পুথি আছে।

২। বিশেষণ ৰূপে বিশেষ্যৰ পিছত বহে, আটাইকে বুজায়। যথা–

প্ৰাণী মাত্ৰে মৰে অৰ্থাৎ সকলো প্ৰাণী মৰে। কণী পৰা জীৱ মাত্ৰে আহাৰ গিলি খায়।

**(খ) কেৱল ঃ** মাত্ৰৰ দৰে ক্ৰিয়া বিশেষণ ৰূপে সকলো কাৰক বা ক্ৰিয়াৰ পিছত ব্যৱহাৰ হয়। যথা–

১। কেৱল সি মোৰ লগত গৈছিল। অৰ্থাৎ অকল সিহে গৈছিল।

২। সি কেৱল মোৰ লগত গৈছিল। অৰ্থাৎ সি আনৰ লগত নগৈ অকল মোৰ লগত গৈছিল।

৩। সি মোৰ লগত কেৱল গৈছিল। অৰ্থাৎ সি অকল যোৱা কামটোহে কৰিছিল। মোৰ সৈতে অন্য কাম কৰা নাছিল।

৪। সি মোৰ লগত কেৱল গৈছিল। অৰ্থাৎ সি লগত যোৱা কাম কৰিছিল। মোৰ কোনো কাম কৰা নাছিল বা কৰিবলৈ দিয়া নাছিলোঁ। (কেৱল অৰ্থটো-অকল, খালি শব্দৰেও প্ৰকাশ কৰা হয়।)

**(গ) নো ঃ** বক্তাৰ মনত অবিশ্বাস বা সন্দেহ জাগিলে সাধাৰণতে প্ৰশ্নবোধক বাক্যত বিভিন্ন কাৰকৰ পিছত 'নো' ব্যৱহাৰ কৰা হয়। যথা–

১। সিনো এনে কাম কৰিবনে? (নাই কৰা বুলি বিশ্বাস)।

২। সি এনে কামনো কৰিবনে? (এনে কাম নাই কৰা আন কামহে কৰে এনে ভাবত)।

৩। সি ঘৈণীয়েকক বেতেৰেনো মাৰেনে?

৪। এই গধূলি সময়তনো ঘৰত সোমাই থাকেনে?

৫। পৰ্বতৰ ওপৰৰ পৰানো কাছৰ কণী আনিব পাৰেনে? ইত্যাদি।

**(ঘ) ও ঃ** সংস্কৃত অপি বা ইংৰাজী (also, too) বুজোৱা শব্দ। সংযোজক অৰ্থত ব্যৱহাৰ কৰা হয়। যথা—

১। ময়ো এতিয়া স্কুললৈ যাম। অৰ্থাৎ আন কিছুমান গৈছেই, ময়ো সহযোগ কৰিম।

২। মই এতিয়া স্কুললৈ যাম। অৰ্থাৎ আন ঠাইলৈ যোৱাৰ উপৰিও স্কুললৈ যাম।

৩। মই স্কুললৈ যামেই। অৰ্থাৎ বিভিন্ন কাম কৰাৰ উপৰি যোৱা কাম কৰিম।

৪। ছোৱালীজনী অমায়িক, শিক্ষিতা আৰু দেখাত ধুনীয়াও।

৫। মই এতিয়াই স্কুললৈ যাম। অৰ্থাৎ বহুবাৰ স্কুললৈ যোৱা কাম কৰাৰ উপৰিও বৰ্তমান যাম বা পলম হ'লেও যাম।

৬। মই বীণাৰ ঘৰত চাহ পানী, মিঠাই খাই ভাতো খালোঁ।

**(ঙ) এ ঃ** জোৰ বুজাবৰ বাবে সাধাৰণতে কৰ্ম, অধিকৰণ, সম্বন্ধ আৰু অপাদানৰ পিছত 'এ' যোগ হয়। যথা—

১। কৰ্ম— গুৰুকে, হাতীকে, মানুহকে

২। অধিকৰণ— বাটিতে, মাজতে, মনতে

৩। সম্বন্ধ— হাবিৰ বাঘ, দেশৰ জনতা, এই নগৰৰে লোক।

৪। অপাদান— হাবিৰপৰা ওলোৱা বাঘ। চহৰৰপৰা কিনিছোঁ। তাৰেপৰা আনিছোঁ।

এ > ই ঃ জোৰ বুজাবলৈ ব্যৱহাৰ হয়। অকাৰান্ত, আকাৰান্ত শব্দৰ পিছত ই যোগ হয়। যথা—

১। সি আহিবৰপৰাই কান্দি আছে। ২। সি যাবই, খাবই। ৩। তুমি শুবাই। ইত্যাদি।

**(চ) এই ঃ** জোৰ বুজাবৰ বাবে 'এই' ব্যৱহাৰ হয়। যথা—

১। ময়েই শুদ্ধকৈ অংকটো কৰিছোঁ। অৰ্থাৎ ময়েই বা মই নিজে।

২। তাকেই বৰ মৰম কৰিছিলোঁ, সিয়েই এনে কৰিলে।

৩। তাক এখনেই কিতাপ দিছিলোঁ।

৪। সি কিতাপেই নপঢ়িলে।

৫। সি কামটো হাতেৰেই নুছুলে।

৬। কাইলৈ মই চহৰলৈ যামেই।

**(ছ) তো ঃ** নিশ্চয় অৰ্থত স্বাৰ্থিক প্ৰত্যয় ব্যৱহাৰ হয়। যথা—

১। মইতো তোমাক নিচিনো।

২। মই তোমাকতো নিচিনো।

৩। মই তোমাক নিচিনোতো।

DAILY ASSAM


৪। এই কাম কৰি গ'লেইতো হয়।
৫। তোমাৰতো মাত মাতিবৰ একো নাই।

**(জ) চো বা চোন ঃ** সাধাৰণ বা নিশ্চয় অৰ্থত স্বাৰ্থিক প্ৰত্যয়।

১। শিক্ষকেচোন ব্যাকৰণ নুবুজালে।
২। শিক্ষকে ব্যাকৰণ নুবুজালেচোন।
৩। শিক্ষকে ব্যাকৰণ চোন নুবুজায়।
৪। তোমাৰচোন হেঁপাহেই নপলাল।

**(ঝ) একা ঃ** সম্ভৱ অৰ্থত স্বাৰ্থিক প্ৰত্যয়।

১। তুমি একা এলাপেচা লোক নোহোৱা।
২। মই এলাপেচা লোক নহওঁ একা।
৩। সিহঁতে হেনো আহিবই একা।

এইদৰে অসমীয়া ভাষাত বিভিন্ন স্বাৰ্থিক প্ৰত্যয়* ব্যৱহাৰ হয়। এই প্ৰত্যয়বোৰৰ স্থানানুযায়ী ব্যৱহাৰে বাক্যটোৰ অৰ্থ বিভিন্ন কৰে। ক'ৰবাত জোৰ দি বুজায় আৰু কেতিয়াবা কথাষাৰিৰ ভাবটো স্পষ্ট কৰে। ইহঁতৰ ব্যৱহাৰ অসমীয়াত জতুৱা ঠাঁচৰ দৰে হয়।

## অনুশীলনী

১। বাক্য কাক বোলে? উদাহৰণ দি বুজাই দিয়াঁ।
২। যোগ্যতা, আকাংক্ষা আৰু নৈকট্য বুলিলে কি বুজাঁ?
৩। উদ্দেশ্য আৰু বিধেয় কাক কয়? উদাহৰণ সহ বুজাই দিয়াঁ।
৪। বাক্যত পদৰ ক্ৰম সম্বন্ধে কি জানা লিখাঁ।
৫। বাক্যত কাল আৰু ক্ৰিয়াৰ সংগতি সম্বন্ধে কি জানা লিখাঁ।
৬। স্বাৰ্থিক প্ৰত্যয়বোৰৰ বাক্যত কিদৰে ব্যৱহাৰ হয় উদাহৰণ দি আলচ কৰাঁ।

---

* স্বাৰ্থিক প্ৰত্যয় চোৱা।